# অমুছলিমে ইফতাৰৰ আয়োজন কৰিলে সিহঁতৰ তাত খাব পাৰিনে

## প্ৰশ্নঃ-অমুছলিম বন্ধুৱে বন্ধুত্বৰ খাতিৰত ইফতাৰৰ নিমন্ত্ৰণ কৰিলে সিহঁতৰ তাত ইফতাৰ কৰিব পাৰিনে ?

উত্তৰঃ-যদি অমুছলিমে মুছলিমক ইফতাৰৰ নিমন্ত্ৰণ তথা দাৱাত দিয়ে আৰু মুছলমান ইয়াৰ ওপৰত জ্ঞাত যে সিহঁতে যি খাদ্যৰ আয়োজন কৰিছে তাত কোনো নাপাক বস্ত মিহলি হৈ থকা নাই তেনেহলে সিহঁতৰ দাৱাত তথা নিমন্ত্ৰণ গ্ৰহণ কৰা মোবাহ অৰ্থাৎ পাৰি। যেনেদৰে ফতোৱা আলমগিৰীত আছে:

ولا با س بالذهاب الی ضیافۃ اهل الذمۃ اه -

আনহাতে অমুছলিম ইফতাৰৰ সময়ত উপস্থিত থাকিলে সিহঁতকো লগত ল'ব পাৰি। তদ্ৰূপ যদি অমুছলিমে মুছলিমক ইফতাৰৰ নিমন্ত্ৰণ কৰে আৰু সম্পূৰ্ণ বিশ্বাস আছে যে সি হালাল ও পাক বস্তুৰে ইফতাৰ কৰাব লগতে তাৰ বাবে মছজিদৰ জামাতো বাদ নপৰে তেন্তে সিহঁতৰ দাৱাত গ্ৰহণ কৰাৰ অনুমতি হ'ব।

(فتاوی علمگیری جلد ۵ صفحہ ۳۴۷)

⊷ আনহাতে যদি মাংস হয় তেন্তে খোৱা হাৰাম। যেনেদৰে আলা হজৰত ইমাম আহমদ ৰাজা খান ৰাহমাতুল্লাহ আলাইহিয়ে লিখিছে:অমুছলিমৰ ঘৰৰ খাদ্য যদি মাংস হয় তেন্তে সেয়া খোৱা হাৰাম, ইয়াৰ অনুমতি নাই। মাংসৰ বাহিৰে অইন বস্ত খাব পাৰি যেতিয়ালৈকে সেয়া নাপাক বা অপৱিত্ৰ বুলি বিশ্বাস হৈ নাযায়। কিন্তু বাচি থকা উত্তম।

(فتاوی رضویہ جلد ۹-نصف ثانی صفحہ ۲۶۱)

واللـــــہ اعـــــلم بالصـــواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ

আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# এতেকাফ কোন কোন মছজিদত শুদ্ধ হ'ব !

**প্ৰশ্নঃ- এতেকাফৰ বাবে জামে মছযিদ হোৱাতো চৰ্ত নেকি ?**

بسم الله الرحمن الرحيم

الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-এতেকাফৰ বাবে জামে মছযিদ হোৱাটো চৰ্ত নহয় বৰঞ্চ প্ৰত্যেক মছজিদতেই এতেকাফ শুদ্ধ হ'ব যদিও তাত পাঁচ ওৱাক্তৰ নামাজ জামাতৰ সৈতে পঢ়া নহয়।

(بہار شریعت-١-١٠٢٠)

والله اعلم بالصواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# প্ৰশ্নঃ-তাৰাবীৰ দোআ কেইবাৰ পঢ়িব লাগে ?

بسم الله الرحمن الرحيم

اَلْجَوَابُ بِعَوْنِ الْمَلِكِ الْوَهَّابِ اَللّٰهُمَّ هِدَايَةَ الْحَقِّ وَالصَّوَابِ

উত্তৰঃ-তাৰাবীৰ প্ৰত্যেক চাৰি ৰাকাতৰ পিছত কিছু সময় বিশ্ৰাম লোৱা মোস্তাহাব। যথা উক্ত সময়খিনিত এবাৰ অথবা তিনিবাৰ "ছুবহানাজিল মুলকি" দোআটো পঢ়িব পাৰে বা যি দোআ ইচ্ছা পঢ়িব পাৰে কিন্তু উল্লেখিত দোআটো পঢ়া উত্তম।

তাৰাবীৰ প্ৰত্যেক চাৰি ৰাকাতৰ পিছত সিমানখিনি সময় বিশ্ৰাম লোৱা মোস্তাহাব যিমানখিনি সময় চাৰি ৰাকাত পঢ়োঁতে লাগে। এনেদৰেই ফতোৱা শ্বামীত আছে:

يجلس ندبأ بين كل أربعة بقدرها،ويخيرون بين تسبيح.......،قوله: "بين تسبيح":قال القهستاني: فيقال ثلاث مرات: "سبحان ذی الملک والملكوت،

প্ৰত্যেক চাৰি ৰাকাতৰ পিছত নামাজৰ সমানেই সময় বহা মোস্তাহাব। আৰু উক্ত সময়খিনিত মনে মনে বহি থাকিব পাৰে অথবা যি ইচ্ছা পঢ়িব পাৰে। কুহাস্তানী ৰাহমাতুল্লাহ আলাইহিয়ে লিখিছে: উক্ত সময়খিনিত তিনিবাৰ "ছুবহানাজিল মুলকি" দোআটো পঢ়া হ'ব। আনহাতে "ছুবহানাজিল মুলকি"ও পঢ়িব পাৰে।

(الدر المختار مع رد المحتار، كتاب الصلاة، باب الوتر والنوافل/غنية المتملي، فصل في النوافل، التراويح، ص ۴۰۴/( فيضان سنت، فيضان تراويح ۱۱۲۲/۱)

والله اعلم بالصواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# ৰোজা অৱস্থাত মুখত মাখি,ধূলিবালি বা ধোঁৱা সুমালে কি হ'ব ?

**প্ৰশ্নঃ- ৰোজা ৰাখি ধূপ-ধূণা বা ধূমপানৰ ধোঁৱা,ধূলিবালি,মাখি আদি মুখ বা নাকত সুমালে ৰোজা থাকিবনে ?**

بسم الله الرحمن الرحيم

الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-মাখি,ধূলিবালি অথবা যিকোনো বস্তুৰ গুৰি আদি কণ্ঠনালীত সুমাই গ'লে ৰোজা ভঙ্গ নহয়। আটা গুৰি কৰি থাকোঁতে হওঁক অথবা চালি থাকোঁতে সুমাই গ'লে ৰোজা ভঙ্গ নহয়, ৰোজা ৰাখি থকা বুলি মনত থাকক বা নাথাকক। আনহাতে ইচ্ছাকৃতভাৱে নিজে জানি বুজি ৰোজা থকাৰ কথা মনত থকাৰ পিছতো যদি ধোঁৱা ভিতৰত নিয়ে তেন্তে ৰোজা ভঙ্গ হ'ব। যথা যিহৰেই ধোঁৱা নহওঁক কিয়(চিগাৰেট,ধূপ আদিৰ),যেনেদৰেই ভিতৰত নপঠাওক কিয়(নাক,মুখ আদিৰে)। এতেকে ধূপ-ধূণা আদি লগোৱা আছিল আৰু গৈ শুঙি দিয়া হ'ল তেন্তে ৰোজা ভঙ্গ হ'ব। অদ্ৰূপ হোক্কা খালেও ৰোজা যাব।(অনিচ্ছাকৃতভাৱে ধোঁৱা ভিতৰত গ'লে ৰোজা ভঙ্গ নহয়। গাড়ীৰ ধোঁৱা হওঁক অথবা ধূপ-ধূণা বা ধূমপান আদিৰ।)

(بہار شریعت-۱-۹۸۲-بحوالہ الدر المختار و الرد المحتار، باب ما یفسد الصوم وما لا یفسدہ، ج۳)

واللــــــه اعـــــــلم بالصـــواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ

আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি Vicks ৰ ব্যৱহাৰ

**প্ৰশ্নঃ- ৰোজা ৰাখি ভিক্স(Vicks)অথবা লিপ ব'ম আদি ব্যৱহাৰ কৰিলে ৰোজা ভঙ্গ হ'ব নেকি ?**

بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ
اَلْجَوَابُ بِعَوْنِ الْمَلِكِ الْوَهَّابِ اَللّٰهُمَّ هِدَايَةَ الْحَقِّ وَالصَّوَابِ

উত্তৰঃ-ভিক্স(Vicks)অথবা লিপ ব'ম আদি ব্যৱহাৰ কৰিলে ৰোজা ভঙ্গ নহয় যদিহে সেয়া শৰীৰৰ বাহিৰত হয়। যদি ভিক্সৰ ভাপ(Steam)লোৱা হয় বা শুঙা হয় অথবা নাকৰ ভিতৰত লগোৱা হয় তেন্তে ৰোজা ভঙ্গ হ'ব।(আনহাতে ৰোজা ৰাখি থকা অৱস্থাত যিকোনো পদ্ধতিৰেই ভাপ নলওঁক কিয় ৰোজা ভঙ্গ হ'ব।)

(السنن الكبرى-رقم الحديث-٥٦٧/عامة كتب الفقه)

والله اعلم بالصواب
ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি ৰোজা অৱস্থাত অক্সিজেন মাস্কৰ ব্যৱহাৰ

**প্ৰশ্নঃ-ৰোজা থকা অৱস্থাত অক্সিজেন মাস্ক লগালে ৰোজা ভঙ্গ হ'ব নেকি ?**

بسم الله الرحمن الرحيم

الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-ৰোজা অৱস্থাত অক্সিজেন মাস্ক লগালে ৰোজা ভঙ্গ হ'ব।

(مجلس شرعی کے فیصلے،ج۲،ص-۲۵۴)

واللہ اعلم بالصواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ

আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# ৰমজানৰ মাজৰ দহদিনত পঢ়া দোআ

رَبَّنَا اغْفِرْ لِي وَلِوَالِدَيَّ وَلِلْمُؤْمِنِينَ يَوْمَ يَقُومُ الْحِسَابُ

(ৰাব্বানাগ ফিৰলী ৱালি ৱা'লি দায়্যা ৱালিল মোঅমিনীনা য়াওমা য়াকূমুল হিছাব)

'হে আমাৰ ৰব! যিদিনা হিচাব অনুষ্ঠিত হ'ব সেইদিনা মোক, আৰু মোৰ পিতৃ-মাতৃক লগতে মুমিনসকলক ক্ষমা কৰি দিবা'।

والله اعلم بالصواب
ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# ৰোজা ৰাখি মিছা কোৱা !

## প্ৰশ্নঃ- ৰোজা ৰাখি মিছা কথা ক'লে ৰোজা ভঙ্গ হ'ব নেকি ?

بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ

اَلْجَوَابُ بِعَوْنِ الْمَلِكِ الْوَهَّابِ اَللّٰهُمَّ هِدَايَةَ الْحَقِّ وَالصَّوَابِ

উত্তৰঃ-মিছা কোৱা কবিৰা গুণাহ। আনহাতে আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

مَنْ لَّمْ يَدَعْ قَوْلَ الزُّوْرِ وَالْعَمَلَ بِهٖ فَلَيْسَ لِلّٰهِ حَاجَةٌ فِيْ اَنْ يَّدَعَ طَعَامَهٗ وَشَرَابَهٗ

যিজনে মিছা (বেয়া কথা) কোৱা আৰু সেয়া মানি চলা এৰিব নোৱাৰে তেনেহলে তেওঁলোকৰ ভোকে পিয়াহে থকা আল্লাহৰ প্ৰতি অপ্ৰয়োজনীয়।

(بخاری، ج1 ص628، حدیث: 1903)

আল্লামা ইবনে ব্বাটাল ৰাহমাতুল্লাহি আলাইহিয়ে এই হাদিছৰ বাখ্যাত লিখিছে: এই হাদিছৰ অৰ্থ এয়া নহয় যে যিজনে নিজকে গুণাহৰ পৰা বচাই ৰাখিব নোৱাৰে তেওঁ ৰোজায়ে নাৰাখিব বৰং নিজকে গুণাহৰ পৰা বচাই ৰখাহে উদ্দেশ্য।

(شرح بخاری لابن بطال، ج4 ص23، تحت الحدیث:1903)

ৰোজা ৰাখি মিছা কথা ক'লে,পৰনিন্দা তথা পৰচৰ্চা,ছুগুলি,গ্বীবত কৰিলে ৰোজাৰ নূৰ গুছি যায় কিন্তু ৰোজা ভঙ্গ নহয় বৰং এয়া মকৰূহ।

(بہار شریعت ج1 ص۹۹۶)

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner

# এলক'হল মিশ্ৰিত চেনিটাইজাৰৰ ব্যৱহাৰ !

## প্ৰশ্নঃ-Hand sanitizer ব্যৱহাৰ কৰিব পাৰি নে য'ত নেকি পঞ্চাছৰ পৰা আশী শতাংশ এলকহল থাকে?

بسم الله الرحمن الرحيم
الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-মছজিদত অথবা শৰীৰতেই নহওঁক কিয়, ৮০ শতাংশ বা ১০ শতাংশই নহওঁক কিয়! এলকহল(Alcohol) ব্যৱহাৰ কৰা হাৰাম(নিষেধ)। হয়! যদি এলক'হল ব্যৱহাৰ কৰিবলৈ বাধ্য কৰোৱা হয় অথবা অন্তিম বাধ্যত পৰে তেন্তে

"الضرورت تبيح المحظورات"

সিমানখিনিৰহে অনুমতি হ'ব(ব্যৱহাৰ কৰিব পাৰিব) যিখিনিৰে কাম চলি যায়। আনহাতে যদি এলক'হল ব্যৱহাৰ কৰে তেন্তে ৰোজা ভঙ্গ নহয়। যথাসম্ভৱ বিৰত থকাৰ চেষ্টা কৰা উচিত।

(اصول فقہ...)

(مجلس شرعی کے فاصلے-جلد دوم-)

والله اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম

Scanned with CamScanner

আমাৰ লগত থাকক
প্ৰতিদিনে শিকক

# গৰ্ভত থকা সন্তানৰ লিংগ(ল'ৰা নে ছোৱালী) জানিবলৈ আল্টাচন কৰা কেনেকুৱা ?

প্ৰশ্নঃ-এই বিষয়ে শ্বৰিঅতে কি কয় যে জন্মৰ পূৰ্বে সন্তানৰ লিংগ অৰ্থাৎ ল'ৰা নে ছোৱালী জানিবলৈ আল্ট্ৰাচন কৰোৱা কেনেকুৱা যিহেতু আল্ট্ৰাচন কৰা ডাক্তৰ মহিলা হয় আৰু নাভিৰ তলৰ কিছু অংশৰ কাপোৰ গুচাই লোৱা হয় আৰু ডাক্তৰে উক্ত ঠাইখিনিত বিশেষ ঔষধো লগায় ?

بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ
اَلْجَوَابُ بِعَوْنِ الْمَلِكِ الْوَهَّابِ اَللّٰهُمَّ هِدَايَةَ الْحَقِّ وَالصَّوَابِ

উত্তৰঃ-মাতৃৰ পেটতত থকা সন্তান ল'ৰা নে ছোৱালী জানিবলৈ আল্ট্ৰাচন কৰোৱা জায়েজ নাই অৰ্থাৎ ইয়াৰ অনুমতি শ্বৰিঅতে দিয়া নাই, আল্ট্ৰাচন কৰাজন লেডী ডাক্তৰেই নহওঁক কিয়। কাৰণ এনে ক্ষেত্ৰত শ্বৰিঅতৰ অনুমতি নোহোৱাকৈ অইন মহিলাৰ নাভিৰ তলৰ অংশ চোৱা আৰু স্পৰ্শ কৰা পোৱা যায় আৰু এই দুয়োটা কাম মহিলাৰ বাবেও নাজায়েজ,বৈধ নহয়। নাভিৰ তলৰ অংশ মহিলাৰ বাবেও ছতৰ অৰ্থাৎ ঢাকি ৰখা ফৰজ(এজনী মহিলাই আন এজনীৰ নাভিৰ তলৰ অংশ চোৱাৰ অনুমতি নাই কিন্তু কিছু বিশেষ কাৰণত যাৰ অনুমতি শ্বৰিঅতে প্ৰদান কৰিছে যেনে বেমাৰ আদি আৰু লিংগ চেক কৰা কোনো শ্বৰিঅতৰ প্ৰয়োজনীয় নহয়) আনহাতে সেই অংগৰ প্ৰতি চকু দিয়া স্পৰ্শ কৰাৰো অনুমতি নাই।

🍒واللہ اعلم بالصواب🍒
ইঞ্জামুল হক,দৰং,অসম

(ماہنامہ فیضان مدینہ، فروری ۲۰۲۱)

+918638731917 Inzamul_78

Scanned with CamScanner

আমাৰ লগত থাকক
প্ৰতিদিনে শিকক

# চুলি বিক্ৰী কৰিব পাৰিনে !

## প্ৰশ্নঃ-মহিলাই চুলি বিক্ৰী কৰিব পাৰিবনে ?

بسم الله الرحمن الرحيم
الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-মানুহৰ চুলি বেচা-কিনা কৰা নাজাইজ ও গুণাহৰ কাম। আল্লামা ইবনে আবিদিন শ্বামী ৰাহমাতুল্লাহ আলাইহিয়ে লিখিছে:

قوله (وشعر الانسان) ولا يجوز الانتفاع به

অৰ্থাৎ মানুহৰ চুলি বিক্ৰী কৰা আৰু তাৰ পৰা মুনাফা(Profit) লোৱাৰ অনুমতি নাই (গুণাহৰ কাম)। (رد المحتار على در المختار، ج7، ص245)

এনেদৰেই কানজুদ্দাকাঈকৰ শ্বাৰাহ বাহৰুৰ ৰাঈকত আছে:

قوله (وشعر الإنسان والانتفاع به) اى لم يجز بيعه والانتفاع به -

মানুহৰ চুলি বিক্ৰী কৰা আৰু তাৰ পৰা মুনাফা লাভ কৰা জাইজ নাই অৰ্থাৎ ইয়াৰ অনুমতি শ্বৰিঅতে দিয়া নাই। (بحر الرائق، ج6، ص133)

স্বাদৰুশ্বাৰিআহ মুফতি আমযাদ আলী আজমী ৰাহমাতুল্লাহ আলাইহিয়ে লিখিছে: মানুহৰ চুলি বেচা ঠিক নহয় আৰু ইয়াক কোনো কামত লগোৱা জাইজ নাই(অৰ্থাৎ ইয়াৰ অনুমতি শ্বৰিঅতে দিয়া নাই)যেনে চুলিৰ লগত মিহলাই বা তাৰ দ্বাৰা খোপা বন্ধা হাৰাম (কিনা চুলিৰে খোপা বনোৱাৰ অনুমতি নাই),হাদিছ শ্বৰীফত ইয়াৰ প্ৰতি অভিশাপ আহিছে।

(بہار شریعت، ج2، ص700)

والله اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম

+918638731917 Inzamul_78

Scanned with CamScanner

আমাৰ লগত থাকক
প্ৰতিদিনে শিকক

# বদ আকিদাৰ ঘৰত সম্পৰ্ক !

## বদ মজহবৰ ছোৱালী নিকাহ কৰা যাইজনে,সিহঁতৰ পিছত নামাজ হ'বনে ?

◆আহলে ছুন্নতৰ পাৰিভাষিক ভাষাত বদ মজহব কোৱা হয় সেইসকলক:

যি ব্যক্তিয়ে আল্লাহ আৰু তেওঁৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ গোস্তাখী (অৰ্থাৎ আল্লাহ আৰু তেওঁৰ নবীৰ বিষয়ে অশালীন,অমাৰ্জিত বাক্য ব্যৱহাৰ ) কৰি,জানি বুজি বে আদবি তথা গোস্তাখী কৰাসকলক (বদ মজহাবীক)মুছলমান বুলি ভাৱিব ও গন্য কৰিব,যিজন ইতিমধ্যে কাফিৰ ও মোৰতাদ(ইছলাম বৰ্জনকাৰী) হৈ গৈছে। (এনে ব্যক্তি মুছলমান হৈ নাথাকে।)

আৰু কোনো অমুছলিম ও মুৰতাদ (ইছলাম বৰ্জন কাৰী)ৰ লগত কোনো মুছলমান ছোৱালী/ল'ৰাৰ নিকাহ হ'ব নোৱাৰে, যদি কোনো মুছলমান ছোৱালীৰ বদমজহব ল'ৰাৰ লগত নিকাহ হৈছে তেন্তে সেয়া নিকাহ নোহোৱাৰ সমান। ছোৱালীৰ প্ৰতি লগালগ নিকাহ ভংগ কৰা ফৰজ। বেলেগ হবলৈ তালাকৰ প্ৰয়োজন নাই। দুৰ্ৰে মোখতাৰত আছে :

لا يصلح ان ينكح مرتد او مرتدة احد من الناس مطلقا(ج4،ص376)

আলা হজৰত ৰাহমাতুল্লাহ আলাইহিৰ কিতাপ ফতোৱা ৰেজৱীয়্যাহত দলিলসহ আছে যে: বদ মজহবৰ পিছত কোনো নামাজ নহয় ফৰজ হওঁক অথবা নফল বা জানাজা।

(فتاویٰ رضویہ ج-٦-ص٦٢٠)

اٰمِيْن بِجَاہِ النَّبِیِّ الْاَمِيْن صَلَّی اللّٰہ تعالٰی علیہ واٰلہٖ وسَلَّم

واللہ اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম

إنْ ترد الأصل فإرجع إلي
+918638731917 Inzamul_78

Scanned with CamScanner

আমাৰ লগত থাকক
প্ৰতিদিনে শিকক

# মতভেদ মাছাঈল(কথা)ত আলোচনাৰ যোগ্য কোন ?

◆আল্লাহে কোৰআঁনত কৈছে:

فَاسْأَلُوا أَهْلَ الذِّكْرِ إِنْ كُنْتُمْ لَا تَعْلَمُونَ

◆এতেকে যদি তোমালোকে নজনা তেনেহ'লে জ্ঞানীসকলক সুধি লোৱা।(ছুৰা আল আম্বিয়া:৭)

◆ইমাম গাযালী ৰাহমাতুল্লাহ আলাইহিয়ে লিখিছে:

সাধাৰণ মানুহৰ প্ৰতি ফৰজ যে "তেওঁলোকে আল্লাহ,ৰাছুলৰ প্ৰতি ঈমান অনাৰ পিছত ইবাদত-উপসনা আৰু নিজৰ জীৱিকা অৰ্জনত ব্যস্ত থকা। আৰু দ্বিনী ও ইছলামী সমস্যাৰ ভাৰ আলীম-উলামাৰ প্ৰতি এৰি দিয়া।" সাধাৰণ মানুহে দ্বিনী ও ইছলামী সমস্যাত হাত পতা,প্ৰমাণৰ প্ৰতি আকোৰগোঁজ হোৱা জিনা,চুৰি-ডকাইতিতকৈ বেছি লোকচানদায়ক আৰু ঈমানৰ প্ৰতি ভয়াবহ। কাৰণ যি ব্যক্তিৰ দ্বিনী ও ইছলামী জ্ঞানত দক্ষতা অৰ্জন নাই সেই ব্যক্তিয়ে যদি আল্লাহ ও ৰাছুলৰ বিষয়ে মাত মাতে বা ইছলামী সমস্যাত মত পোষণ কৰে,তৰ্ক বিতৰ্ক কৰে তেন্তে অতি সম্ভৱ যে সি এনেকুৱা মত পোষণ কৰিব যিটো কুফুৰ হ'ব। আৰু সি আওঁকাণে থাকিব যিটো সি বুজিবৈ নোৱাৰিব যে সি কোৱাটো 'কুফুৰি'। এনে ব্যক্তিৰ উদাহৰণ সেই ব্যক্তিৰ দৰে যিয়ে সাতুৰিব নোৱাৰে কিন্তু সাগৰত জপিয়াই।

آمین بجاہ النبی الامین صلی اللہ تعالی علیہ والہ وسلم

واللــــــہ اعـــــلم بالصـــواب

ইঞ্জামুল হক,দৰং,অসম

(إحياء العلوم الدين،ج٣،ص٣٦)

إن ترد الأصل فارجع إلي

+918638731917 Inzamul_78

Scanned with CamScanner